# ডিব্ৰু মহাবিদ্যালয়ত বিশ্ব কবিতা দিৱস উদযাপন

'আমাৰ অসম'ৰ ডিব্ৰুগড়ৰ ষ্টাফ ৰিপ'ৰ্টাৰ, ২২ মাৰ্চ ঃ সমগ্ৰ বিশ্বৰ লগতে উজনি অসমৰ 'এ' গ্ৰেডপ্ৰাপ্ত শিক্ষানুষ্ঠান ডিব্ৰু মহাবিদ্যালয়তো ২১ মাৰ্চৰ সন্ধিয়া অনলাইন মাধ্যমত 'বিশ্ব কবিতা দিৱস' উদ্‌যাপন কৰা হয়। দিৱসৰ উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জিতু বুঢ়াগোহাঁয়ে। অসমীয়া বিভাগ আৰু ডিব্ৰু মহাবিদ্যালয় ৰিডাৰ্ছ ক্লাবৰ যৌথ উদ্যোগত আয়োজিত উক্ত অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি কবি, সমালোচক তথা নাজিৰা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ৰাজীৱ বৰাই 'জ্ঞানপীঠ বঁটাৰ সেন্দূৰীয়া আলিয়েদি অসমীয়া কবিতা' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। অসমৰ বিভিন্ন প্ৰান্তৰ শতাধিক কাব্যপ্ৰেমীৰ উপস্থিতিত ডিব্ৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক দীপিকা দাস, অসমীয়া সাহিত্যৰ নৱপ্ৰজন্মৰ বিশিষ্ট কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই, মিণ্টুসাগৰ দাস, অধ্যাপক ড° মৌচুমী দত্ত, বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক জয়া মেধি, ছিপাঝাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° নিৰ্মালি চক্ৰৱৰ্তী, ছাত্ৰ বিশাল কুৰ্মী, ছাত্ৰী অৰ্পিতা দত্ত, কাকুমণি কটকী, দীক্ষা সোণোৱালে কবিতা পাঠ কৰে। ড° বিজু মৰাণে শলাগ জ্ঞাপন কৰা অনুষ্ঠানটোৰ আঁত ধৰে ড° মৌচুমী দত্তই।